অধ্যায় ৫ ঃ কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোক (৪১-৫০) পাঠ্যাংশৰ আলোচনা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ তৃতীয়সর্গৰ (৪১-৫০) শ্লোকসমূহৰ সংস্কৃত পাঠ

৫.৩.১ শ্লোকসমূহৰ (৪১-৫০) গদ্যপাঠ

৫.৩.২ শ্লোকসমূহৰ (৪১-৫০) শব্দার্থ

৫.৩.৩ শ্লোকসমূহৰ (৪১-৫০) অসমীয়া অনুবাদ

৫.৪ ব্যাকৰণগত টোকা

৫.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ (৪১-৫০) বিষয়বস্তু

৫.৬ মহত্বপূর্ণ শ্লোকৰ ভাৱার্থ আৰু ব্যাখ্যা

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আর্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- কালিদাস বিৰচিত 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ শ্লোকসমূহৰ (৪১-৫০) সংস্কৃত পাঠ অধ্যয়ন কৰিব পাৰিব, লগতে শ্লোকসমূহৰ গদ্যপাঠ, শব্দার্থ আৰু অসমীয়া অনুবাদো অধ্যয়ন কৰিব পাৰিব
- কুমাৰসম্ভৱম্ৰ তৃতীয়সর্গৰ এটি অংশৰ বিষয়বস্তুৰ আভাস পাব
- শ্লোকসমূহৰ কঠিন শব্দবোৰৰ ব্যাকৰণগত বিশ্লেষণৰ লগত অৱগত হ'ব
- ৪১-৫০ শ্লোকৰ ভিতৰৰ কেইটামান শ্লোকৰ ব্যাখ্যা আৰু ভাৱার্থৰ জ্ঞান লাভ কৰিব পাৰিব।

৫.২ পৰিচয়

আপুনি ইতিমধ্যে কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গৰ (২১-৪০) লৈকে শ্লোকসমূহৰ অধ্যয়ন কৰিলে। শ্লোকসমূহত অকালবসন্তৰ ফলত প্রকৃতিৰাজ্যত হোৱা পৰিৱর্তনসমূহ জানিব পাৰিলে। শিৱৰ আশ্রমত থকা জীৱ-জন্তু, ইতৰ প্রাণী আৰু কিন্নৰ-কিন্নৰীসকলৰ বসন্তৰ আৱির্ভাৱত

হোৱা ক্ৰিয়াসমূহ জানিব পাৰিলে। অপ্সৰাসকলৰ গীতশুনিও আত্মসংযমী মহাদেৱৰ সমাধিত কোনো বাধা হোৱা নাছিল সেইকথাও জানিব পাৰিলে।

এই অধ্যায়ত আপুনি তৃতীয়সর্গৰে (৪১-৫০) লৈকে শ্লোকসমূহ অধ্যয়ন কৰিব পাৰিব। শ্লোকসমূহৰ সংস্কৃত পাঠৰ লগতে শব্দাৰ্থও জানিব পাৰিব। তাৰোপৰি সমাধিস্থ মহাদেৱৰ ৰূপ বৰ্ণনাৰ বিষয়েও অৱগত হ'ব।

৫.৩ তৃতীয়সর্গৰ (শ্লোকসমূহৰ (৪১-৫০) সংস্কৃত পাঠ

লতাগৃহদ্বাৰতো২থ নন্দী বামপ্ৰকোষ্ঠার্পিতহেমবেত্ৰঃ।
মুখার্পিতৈকাঙ্গুলিসঙ্গয়ৈৰ মা চাপলায়েতিগণান্ ব্যনৈষীত্।। ৪১।।
নিষ্কম্পবৃক্ষং নিভৃতদ্বিৰেফং মূকাণ্ডজং শান্তমৃগপ্চাৰম্।
তচ্ছাসনাত্ কাননমেৰ সর্বং **চিত্ৰার্পিতাৰম্ভভিবাবতস্থে**।। ৪২।।

চিত্ৰার্পিত+আৰম্ভম্ + ইব+অৱতস্থে

দৃষ্টিপ্ৰপাতং পৰিহৃত্য তস্য কামঃ পুৰঃ শুক্ৰমিৰ প্ৰয়াণে।
প্ৰান্তেষু সংসক্তনমেৰুশাখং ধ্যানাস্পদং ভূতপতের্বিবেশ।। ৪৩।।
স দেৱদাৰুদ্রুমবেদিকায়াং শার্দূলচর্মব্যৱধানবত্যাম্।
আসীনমাসন্নশৰীৰপাতস্ত্রিয়ম্বকং সংয়মিনং দদর্শ।। ৪৪।।
পর্যঙ্কবন্ধস্থিৰপূর্বকায়মৃজ্বায়তং সন্নমিতোভয়াং সম্।
উত্তানপাণিদ্বয়সন্নিবেশাত্ প্ৰফুল্লৰাজীৱমিৰাঙ্কমধ্যে।। ৪৫।।
ভূজঙ্গমোন্নদ্ধজটাকলাপং কর্ণাৱসক্তদ্বিগুণাক্ষসূত্ৰম্।
কণ্ঠপ্ৰভাসঙ্গবিশেষনীলাং কৃষ্ণত্বচং গ্ৰন্থিমতীং দধানম্।। ৪৬।।
কিঞ্চিত্প্ৰকাশস্তিমিতোগ্ৰতাৰৈ ভূবিক্ৰিয়ায়াং বিৰতপ্ৰসঙ্গৈঃ।
নেত্ৰৈর্বিস্পন্দিতপক্ষ্মমালৈর্লক্ষ্যোকৃতঘ্ৰাণমধোময়ূখৈঃ।। ৪৭।।

নেত্ৰৈঃ+অবিস্পন্দিত পক্ষ্মমালৈঃ + লক্ষ্মীকৃতঘ্ৰানং+অধোময়ুখৈঃ

অবৃষ্টিসংৰম্ভমিবাম্বুবাহমপামিবাধাৰমনুত্তৰংঙ্গম্।
অন্তশ্চৰানাং মৰুতাং নিৰোধান্নিবাতনিষ্কম্পমিৰ প্ৰদীপম্।। ৪৮।।
কপালনেত্রান্তৰলব্ধমার্গৈর্জ্যোতিঃ প্ৰৰোহৈৰুদিতেঃ শিৰস্তঃ।
মৃণালসূত্রাধিকসৌকুমার্য্যাং বালস্য লক্ষ্মীং গ্লপয়ন্তমিন্দোঃ।। ৪৯।।
মনো নৱদ্বাৰনিষিদ্ধবৃত্তি হৃদি ব্যৱস্থাপ্য সমাধিবশ্যম্।
য়মক্ষৰং ক্ষেত্রবিদো **বিদুস্তমাত্মানমাত্মন্যবলোকয়ন্তম্**।। ৫০।।

বিদুঃ+তম্ + আত্মানম্ +আত্মনি+অৱলোকমন্ত্যম্

৫.৩.১ শ্লোকসমূহৰ (৪১-৫০) গদ্যপাঠ

এতিয়া আপুনি ওপৰত উল্লেখ কৰা 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ ৪১-৫০ নং শ্লোকসমূহৰ গদ্যপাঠ পঢ়িবলৈ পাব।

৪১) অথ লতাগৃহদ্বাৰগতঃ বামপ্ৰকোষ্ঠার্পিতহেমবেত্ৰঃ নন্দী মুখ্যার্পিতৈকাথুঁলিসংগয়ৈৰ

চাপলায় মা (য়তধ্বম্) ইতি গণান্ ব্যনৈষীত্।। ৪১।।

৪২) নিষ্কম্পবৃক্ষং নিভৃতদ্বিৰেফং মূকাণ্ডজং শান্তমৃগপ্রচাৰং তচ্ছাসনাত্ তত্সর্বং কাননং চিত্রার্পিতাৰম্ভম্ ইৱ অৱতস্থে ।। ৪২।।

৪৩) কামঃ প্রয়াণে পুৰঃশুক্রম্ (দেশম্) ইৱ তস্য দৃষ্টিপ্রপাতং পৰিহৃত্য প্রান্তেষু সংসক্তমেৰুশাখং ভূতপতেঃ ধ্যানাস্পদং বিবেশ।। ৪৩।।

৪৪) আসন্নশৰীৰপাতঃ সঃ (কামঃ) শার্দুলচর্মব্যৱধানবত্যাং দেৱদাৰুদ্রুমবেদিকায়াম্ আসীনং সংয়মিনং ত্রিয়ম্বকং (ত্রয়ম্বকং শিৱং) দদর্শ।। ৪৪।।

৪৫) পর্য্যঙ্কবন্ধস্থিৰপূর্বকায়ং ঋজ্বায়তং সন্নমিতোভয়াংসম্ উত্তানপাণিদ্বয় সন্নিবেশাত্ অঙ্কমধ্যে প্রফুল্লৰাজীৱম্ ইৱ (স্থিতম্) (ত্র্যয়ম্বকং দদর্শ)।। ৪৫।।

৪৬) ভূজঙ্গমোন্নদ্ধজটাকলাপং কর্ণাৱসক্তদ্বিগুণাক্ষসূত্রম্ কণ্ঠপ্রভাসঙ্গ বিশেষনীলাং কৃষ্ণত্বচং দধানং (ত্রয়ম্বকং দদর্শ)।। ৪৬।।

৪৭) কিঞ্চিত্প্রকাশস্তিমিতোগ্রতাৰৈর্ভূবিক্রিয়ায়াং বিৰতপ্রসঙ্গৈঃ অবিস্পন্দিতপক্ষমালৈঃ অধোময়ূখৈঃ নেত্রৈঃ লক্ষ্যীকৃতঘ্রানং (ত্র্যয়ম্বকং দদর্শ)।। ৪৭।।

৪৮) অন্তশ্চৰানাং মৰুতাং নিৰোধাত্ অবৃষ্টিসৰম্ভম্ অম্বুবাহম্ ইৱ, অনুত্তৰঙ্গম্ অপাম্ আধাৰম্ ইৱ নিৱাতনিষ্কম্পং প্রদীপং ইৱ স্থিতং (ত্র্যয়ম্বকং দদর্শ)।। ৪৮।।

৪৯) কপালনেত্রান্তৰলব্ধমার্গৈঃ শিৰস্তঃ (মস্তকাত্) উদিতৈঃ জ্যোতিঃ প্রৰোহৈঃ মৃণালসূত্রাধিকসৌকুমার্যাং বালস্য ইন্দোঃ লক্ষ্মীং গ্লপয়ন্তম্ (ত্র্যয়ম্বকং দদর্শ)।। ৪৯।।

৫০) নরদ্বাৰনিষিদ্ধবৃত্তি মমাধিবশ্যম্ মনঃ হৃদি ব্যৱস্থাপ্য ক্ষেত্রবিদঃ যং অক্ষৰং বিদুঃ তং আত্মানং আত্মনি অৱলোকয়ন্তম্ (ত্র্যয়ম্বকং দদর্শ)।। ৫০।।

৫.৩.২ শ্লোকসমূহৰ (৪১-৫০) শব্দার্থ

৪১) লতাগৃহদ্বাৰগতঃ (ইয়াৰ পিছত লতাগৃহৰ দুৱাৰমুখত), বামপ্রকোষ্ঠার্পিত হেমবেত্রঃ নন্দী (নন্দীয়ে বাওঁহাতৰ মুঠিত এডাল সোনৰ লাঠি লৈ) মুখ্যার্পিতেকাঙ্গুলিসঙ্গয়ৈৱ চপলায় মা ই তি গণান্ ব্যনৈষীত্ (মুখত এটা আঙুলি স্থাপন কৰি যেন ইঙ্গিতেৰে 'চঞ্চল নহ'বা' এইবুলি কিন্নৰসকলক আৰু জীৱ-জন্তুবিলাকক নির্দেশ দিছিল।)।। ৪১।।

৪২) নিষ্কম্প বৃক্ষং (গছবোৰে অর্থাৎ কোনো উদ্ভিদেই লৰচৰ কৰা নাছিল), নিভৃতদ্বিৰেফং (ভোমোৱাবিলাকেও শব্দ কৰা নাছিল), মুকাণ্ডজং (পক্ষীসমূহ স্তব্ধ হৈ পৰিছিল), শান্তমৃগ প্রচাৰম্ (হৰিণাবিলাকেও দৌৰা-দৌৰি কৰা নাছিল), তচ্ছাসনাত্ তত্ সর্বং কাননং চিত্রার্পিতৰম্ভম্ ইৱ অৱতস্থে (তেওঁৰ (নন্দীৰ) শাসনৰ দ্বাৰা সমগ্র আশ্রমখনেই চিত্রত আঁকিথোৱা ছবিৰ নিচিনা প্রতিভাত হৈছিল।)

৪৩) কামঃ প্রয়াণে পুৰঃ শুক্রম্ (দেশম্) ইৱ (যাত্রাৰ সময়ত যিদৰে শুক্রগ্রহটোক পৰিত্যাগ কৰা হয়), তস্য দৃষ্টি প্রপাতং পৰিহৃত্য প্রান্তেষু (ঠিক সেইদৰেই কামদেৱেও তেওঁ লক্ষ্য কৰি থকা ঠাইসমূহক পৰিত্যাগ কৰি), সংসক্তনমেৰুশাখং ভূতপতেঃ ধ্যানাস্পদং বিবেশ (মহাদেৱৰ চাৰিওফালে 'নমেৰু' নামৰ জোপোহা গছেৰে পৰিবেষ্টিত ধ্যান কৰি থকা ঠাইখিনিত প্রৱেশ কৰিছিল।)

৪৪) আসন্ন শৰীৰপাতঃ স (কামঃ) কামদেৱে (আসন্ন মৃত্যুৰ বাবে আগবঢ়া), শার্দুলচর্ম্মব্যৱধানৱত্যাং (নাহৰফুটুকী বাঘৰছালেৰে আবৃত), দেৱদাৰুদ্রুমবেদিকায়াং আসীনং (দেৱদাৰু গছৰ তলত থকা বেদী এখনৰ ওপৰত বহি থকা), সংয়মিনং **ত্র্যয়ম্বকং দদর্শ** (সংযমী) মহাদেৱক দেখা পাইছিল)।



ত্র্যয়ম্বকং দদর্শ = মহাদেৱক দেখা পাইছিল

৪৫) পর্যঙ্কবন্ধস্থিৰ পূর্বকায়ং (বীৰাসনত বহি থকা মহাদেৱৰ শৰীৰৰ পূর্বভাগ স্থিৰ পোন আৰু বহল আছিল ঋজ্বায়তং সন্নমিতোভয়াংসম্ (দুয়োখন কান্ধ কিঞ্চিত তললৈ হালি আছিল), উত্তান পাণিদ্বয়ঃ সন্নিবেশাত্ অঙ্কমধ্যে (হাতদুখন এখনৰ ওপৰত আনখন এনেদৰে ৰাখিছিল) প্রফুল্লৰাজীৱমিৱ স্থিতম্ ত্র্যয়ম্বকং দদর্শ (যেন— তেওঁৰ কোলাত ফুলিথকা এপাহ পদুম ফুলহে।

৪৬) ভূজঙ্গমুন্নদ্ধজটাকলাপং (জটাবন্ধা চুলিবিলাক সাপেৰে মেৰাই থকা), কর্ণাৱসক্তদ্বিগুণাক্ষসূত্রম্ (ডিঙিত ৰুদ্রাক্ষৰ মালা দুগুন কৰি থোৱা), কণ্ঠপ্রভাসঙ্গবিশেষ নীলাং (কণ্ঠৰ জ্যোতিৰে বিশেষভাৱে নীলা হোৱা), কৃষ্ণত্বচং দধানাং ত্রৈয়ম্বকং দদর্শ (গাঠিযুক্ত কৃষ্ণসাৰ পহুৰ ছাল পৰিধান কৰা সংযমী মহাদেৱক দেখা পাইছিল)।

৪৭) কিঞ্চিত প্রকাশস্তিমিত (কিঞ্চিত মেলখাই থকা উজ্জ্বল চকুৰ মণি দুটা), গ্রতাৰৈর্ভূবিক্রিয়ায়াং (নিশ্চল হৈ থকা ভ্রুলৰচৰ নকৰা), বিৰতপ্রসঙ্গঃ অবিস্পন্দিতপক্ষ্মমালৈঃ (চকুৰপতাৰে তললৈ মুখ কৰি থকা), অধোময়ূখৈঃ নেত্রৈঃ লক্ষ্যীকৃতঘ্রানং ত্র্যম্বকং দদর্শ (নাকৰ আগভাগলৈ লক্ষ্য কৰি থকা অধোমুখী মহাদেৱক দেখা পাইছিল।

৪৮) অন্তশ্চৰানাং মৰুতাং নিৰোধাত্ অবৃষ্টিসংৰম্ভম্ অম্বুবাহম্ ইৱ (অন্তঃস্থ বায়ু নিৰুদ্ধ কৰি ৰখাৰ কাৰণে বৰষুণ নিদিয়া এটুকুৰা মেঘৰ দৰে), অনুত্তৰঙ্গম্ অপাম আধাৰম্ ইৱ (তৰঙ্গহীন সাগৰৰ দৰে), নিৱাত নিষ্কম্পং প্রদীপং ইৱ স্থিতং ত্র্যয়ম্বকং দদর্শ (বতাহ নোহোৱা ঠাইত জ্বলি থকা নিষ্কম্প এগছি চাকিৰ দৰে মহাদেৱক দেখা পাইছিল।)

৪৯) কপালনেত্রান্তৰলব্ধমার্গে (কপালত থকা নেত্রৰ মাজেৰে বাট উলিয়াই বাহিৰলৈ আহিছিল), শিৱস্তঃ উদিতৈঃ জ্যোতিঃ প্রৰোহৈঃ মৃণালসূত্রাধিক সৌকুমার্য্যং বালস্য ইন্দোঃ লক্ষ্মীং গ্লপয়ন্তম্ (ত্র্যয়ম্বকং দদর্শ)। (শিৱত সৃষ্টি হোৱা উজ্জ্বল জ্যোতি যি জ্যোতি কোমলতাত পদুমৰ সূতাতকৈয়ো অধিক কোমল আছিল আৰু যিয়ে

কাঁচিজোনৰ সৌন্দর্যকৈয়ো লজ্জিত কৰিছিল) তেনে মহাদেৱক দেখা পাইছিল।

৫০) নৱদ্বাৰনিষিদ্ধবৃত্তি সমাধিবশ্যম্ মনঃ হৃদি ব্যৱস্থাপ্য (দেহৰ নৱদ্বাৰসমূহক নিষিদ্ধ কৰি 'মন' নামৰ ইন্দ্রিয়ক সমাধিৰ দ্বাৰা বশ কৰি) ক্ষেত্রবিদঃ যং অক্ষৰং বিদুঃ তং আত্মানং আত্মনি অৱলোকয়ন্তম্ (হৃদয়ত স্থাপন কৰি ক্ষেত্রবিদসকলে যাক অক্ষৰ বুলি জানে সেই পৰম্পাত্মাক নিজৰ আত্মাত দর্শন কৰা মহাদেৱক দেখা পাইছিল)।



জানি থোৱা ভাল

চিত্রার্পিতাৰম্ভ = চিত্রত আঁকি থোৱাৰ দৰে, চিত্রে অর্পিতঃ চিত্রার্পিতঃ = সুপসুপা, চিত্রার্পিতঃ আৰম্ভঃ যস্য তত্ সমাসঃ = বহুব্রীহি সমাস।

মুকাণ্ডজ = চাৰিপ্রকাৰৰ প্রাণী জগতত বাস কৰে। সেয়া হৈছে জৰায়ুজ, স্বেদজ, অণ্ডজ, উদ্ভিজ।

মুক = মনে মনে থকা, অণ্ডজ = কণীৰ পৰা জন্ম হোৱা যেনে চৰাই, সর্প আদি।

পুৰঃ শুক্রমিৱ = সন্মুখত শুক্রগ্রহক দেখিলে যুদ্ধযাত্রা কৰিবলৈ ওলোৱা ৰজাসকলে যাত্রা স্থগিত কৰে। তেনেদৰে কামদেৱেও সন্মুখত মহাদেৱক দেখি 'নমেৰু' নামৰ গছৰ আঁৰত লুকাই মহাদেৱক দর্শন কৰিলে।

ক্ষেত্রবিদ ঃ = ন ক্ষৰতি ইতি অক্ষৰ অর্থাৎ অবিনাশী পৰমাত্মাত নিজৰ আত্মা যিসকলে দর্শন কৰে ক্ষেত্রজ্ঞ পুৰুষ। মনক হৃদয়ত স্থাপন কৰিব পাৰে।

শ্রীমদ্ভগৱদ্গীতাৰ ত্রয়োদশ অধ্যায়ত ৩৪ নং শ্লোকত ক্ষেত্রজ্ঞ বা ক্ষেত্রবিদৰ বিষয়ে কৈছে— 'যিসকলে জ্ঞানচক্ষুৰ দ্বাৰা দেখে বা জানে আৰু প্রাণীসমূহৰ প্রকৃতিৰ পৰা মোক্ষৰ বিষয়েও জানে, তেওঁলোকে পৰমপদ লাভ কৰে।

৫.৩.৩ শ্লোকসমূহৰ (৪১-৫০) অসমীয়া অনুবাদ

৪১) ইয়াৰ পিছত লতাগৃহৰ দুৱামুখত নন্দীয়ে বাওঁহাতৰ মুঠিত এডাল সোণৰ লাঠি লৈ আৰু মুখত এটা আঙুলি স্থান কৰি যেন ইঙ্গিতেৰে 'চঞ্চল নহবা' এই বুলি আশ্রমৰ পশু-পক্ষী আৰু কিন্নৰগণক নির্দেশ দিছিল।

৪২) গছবোৰে অর্থাৎ কোনো উদ্ভিদেই লৰচৰ কৰা নাছিল। তেওঁৰ শাসনৰ দ্বাৰা সমগ্র বননি (আশ্রম) খনেই চিত্রত আঁকি থোৱা ছবিৰ দৰে প্রতিভাত হৈছিল।

৪৩) যাত্রা সময়ত যিদৰে শুক্রগ্রহটোক পৰিত্যাগ কৰা হয়, ঠিক সেইদৰেই কামদেৱেও তেওঁ লক্ষ্য কৰি থকা ঠাইসমূহক পৰিত্যাগ কৰি 'নমেৰু' নামৰ জোপোহা গছেৰে পৰিবেষ্টিত ধ্যান কৰি থকা ঠাইখিনিত প্রৱেশ কৰিছিল।

৪৪) আসন্ন মৃত্যু কামদেৱে নাহৰফুটুকী বাঘৰ ছালেৰে আবৃত্ত দেৱদাৰু গছৰ তলত

থকা বেদী এখনৰ ওপৰত বহি থকা সংযমী মহাদেৱক দেখা পাইছিল।

৪৫) বীৰাসনত বহি থকা মহাদেৱৰ শৰীৰৰ পূৰ্বভাগ স্থিৰ পোন আৰু বহল আছিল। দুয়োখন কান্ধেই কিঞ্চিত তললৈ হালি আছিল। হাত দুখন এখনৰ ওপৰত আনখন এনেদৰে ৰাখিছিল যেন তেওঁৰ কোলাত ফুলি থকা এপাহ পদুম ফুলহে।

৪৬) জটাবন্ধা চুলিবিলাক সাপেৰে মেৰাই থকা, ডিঙিত ৰুদ্ৰাক্ষৰ মালা দুগুণ কৰি থোৱা কণ্ঠৰ জ্যোতিৰে বিশেষভাৱে নীলা হোৱা গাঠীযুক্ত কৃষ্ণসাৰ পহুৰ ছাল পৰিধান কৰা সংযমী মহাদেৱক দেখা পাইছিল।

৪৭) কিঞ্চিত মেলখাই থকা উজ্জ্বল চকুৰ মণি দুটা, নিশ্চল হৈ থকা ভ্ৰু লৰচৰ নকৰা, চকুৰ পতাৰে তললৈ মুখ কৰি নাকৰ অগ্ৰভাগলৈ লক্ষ্য কৰি থকা সংযমী মহাদেৱক দেখা পাইছিল।

৪৮) অন্তঃস্থ বায়ু নিৰুদ্ধ কৰি ৰখাৰ কাৰণে বৰষুণ নিদিয়া এটুকুৰা মেঘৰ দৰে, তৰঙ্গহীন সাগৰৰ দৰে, বতাহ নোহোৱা ঠাইত জ্বলি থকা নিষ্কম্প এগছি চাকিৰ দৰে সংযমী মহাদেৱক দেখা পাইছিল।

৪৯) শিৱত সৃষ্টি হোৱা উজ্জ্বল জ্যোতি, যি জ্যোতিৰ কোমলতাত পদুমৰ সূতাতকৈয়ো অধিক কোমল আছিল আৰু যিয়ে কাঁচি জোনৰ সৌন্দর্যকো লজ্জিত কৰিছিল। তেওঁৰ কপালত থকা নেত্ৰৰ মাজেৰে বাট উলিয়াই বাহিৰলৈ ওলাই আহিছিল।

৫০) দেহৰ নৱদ্বাৰসমূহক নিষিদ্ধ কৰি 'মন' নামৰ ইন্দ্ৰিয়ক সমাধিৰ দ্বাৰা বশ কৰি হৃদয়ত স্থাপন কৰি তত্ত্বজ্ঞসকলে যাক 'অক্ষৰ' বুলি জানে সেই পৰমাত্মাক নিজৰ আত্মাত দর্শন কৰা মহাদেৱক দেখা পাইছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ 'হেমবেত্ৰঃ' শব্দৰ অর্থ কি?

.....

প্ৰশ্ন নং ২ঃ 'গণান্' শব্দৰ দ্বাৰা কি বুজোৱা হৈছে?

.....

প্ৰশ্ন নং ৩ঃ 'ভূতপতেঃ' শব্দৰ অর্থ কি?

.....

প্ৰশ্ন নং ৪ঃ 'ত্ৰ্যম্বক' শব্দৰ অর্থ কি আৰু কাক বুজাইছে?

.....

প্ৰশ্ন নং ৫ঃ 'ভূজঙ্গ' শব্দই কি বুজায়?

.....

প্ৰশ্ন নং ৬ঃ 'ইন্দোঃ' শব্দৰ অর্থ কি?

.....

প্রশ্ন নং ৭ঃ 'নৱদ্বাৰ' মানে কি আৰু নটা দ্বাৰৰ নাম লিখক।

.....

৫.৪ ব্যাকৰণগত টোকা

৪১ নং শ্লোক ঃ সমাস ঃ লতাগৃহদ্বাৰ = লতাগৃহস্য দ্বাৰম্ = ষষ্ঠী তৎপুৰুষ সমাস

তত্ গতঃ, দ্বিতীয় তত্ পুৰুষ সমাস,

সূত্র - 'দ্বিতীয়াশ্রিতাতীতগতাত্যস্তপ্রাপ্তাপন্নৈঃ'

বামপ্রকোষ্ঠ = বামঃ প্রকোষ্ঠঃ = কর্মধাৰয়ঃ

হেম্নঃ বেত্রম্ = ষষ্ঠী ত্যপুৰুষ

হেমবেত্রম্, বামশ্চাসৌ

প্রকোষ্ঠঃ কর্মধাৰয়, কমপ্রকোষ্ঠঃ

বামপ্রকোষ্ঠে ত্রর্পিত হেমবেত্রঃ = সপ্তমী তৎপুৰুষ

বামপ্কোষ্ঠার্পিতঃ হেমবেত্ঃ = বামপ্রকোষ্ঠার্পিতঃ

হেমবেত্র ঃ যেন যস্য সঃ বহুব্রীহি সমাস।

মুখ্যার্পিতা = মুখে অর্পিতাঃ সুপসুপা সমাস।

তাদৃশী একাঙ্গুলি = কর্মধাৰয় সমাস। = কৰণে তয়া।

বুৎপত্তি চাপলায় = কর্মণি চতুর্থী। সূত্র = ক্রিয়ার্থোপ পদস্য চ কর্মণি স্থানিনঃ।

ব্যনৈষীত্ = বি - নী + লুঙ্ দ

৪২ নং শ্লোক ঃ সমাস ঃ নিষ্কম্প = নিষ্কম্পাঃ বৃক্ষাঃ যস্মিন্ = বহুব্রীহি সমাস।

নিভৃত = নিভৃতাঃ (নিলীনাঃ) দ্বিৰেফাঃ য়ত্র = বহুব্রীহি সমাস

মুকাণ্ডজম্ = মুকাঃ অণ্ডজাঃ য়ত্র = বহুব্রীহি সমাস

তচ্ছাসনাত্ = তস্য শাসনঃ ষষ্ঠী তৎপুৰুষ সমাস। হেতৌ পঞ্চমী।

বুৎপত্তি অৱতস্থে = অৱ - স্থা + লিট্ + এ

চিত্রার্পিতা = চিত্রে অর্পিতঃ = চিত্রার্পিতঃ = সুপ্সুপাসমাস।

চিত্রার্পিতঃ আৰম্ভঃ য়স্য তৎ = বহুব্রীহিসমাস।

৪৩ নং শ্লোক ঃ সমাস ঃ দৃষ্টিপ্রপাতম্ = প্র-পত্ - যঞ্ অধিকৰণে পপাতঃ। ষষ্ঠী তৎপুৰুষ।

পুৰঃশুক্রম্ = পুৰঃ (পুৰঃস্থিত) শুক্রঃ য়স্মিন্ = বহুব্রীতি সমাস।

প্রান্তেষু = অধিকৰণে সপ্তমী

বুৎপত্তি সংসক্ত = সম্-সঞ্জ্ + ক্ত = সংসক্তা।

সংসক্তা নমেৰু শাখা য়ত্র = বহুব্রীহিসমাস।

ধ্যানাস্পাদম্ = আ - পদ্ + যঞ্ = আস্পদম্।

বিবেশ = বিশ্ + লিট্ + অ

৪৪ নং শ্লোক ঃ দেৱদাৰুদ্রুম = দেৱদাৰুশ্চাসৌ দ্রুমঃ = কর্মধাৰয় সমাস = অধিকৰণে সপ্তমী
শার্দুলচর্মব্যৱধানম্ = শার্দুলস্য চর্ম, তস্য ব্যৱধানম্ = ষষ্ঠী তৎপুৰুষ।

বুৎপত্তি আসীনম্ = আস্ - সদ্ + ক্ত কর্ত্তৰি।
ত্রিয়ম্বকম্ = ত্রীনি অম্বকানি লোচনানি য়স্যমঃ = ত্র্যম্বক। বহুব্রীহিসমাসঃ।
দদর্শ = দৃশ্ + লিট্ + অ

৪৫ নং শ্লোক ঃ সমাস পর্যঙ্কবন্ধ = পর্যাঙ্কস্য (যোগপটস্য) বন্ধঃ = ষষ্ঠী তৎপুৰুষ সমাসঃ।

বুৎপত্তি সন্নিমিত = সম্ - নম্ + ণিচ্ + ক্ত।
উত্তান = হেতৌ পঞ্চমী
প্রফুল্ল = প্র - ফুল্ল + অচ্ কর্ত্তৰি।
প্রফুল্ল ৰাজীৱম্ = প্রফুল্লং ৰাজীবং
যস্য বহুব্রীহি সমাস, তম্।

৪৬ নং শ্লোক ঃ ভূজঙ্গঃ = ভূজেন কূটিলগত্যা গচ্ছতীতি।
ভূজ্ - √ গম্ + খচ্ + কর্ত্তৰি
উনদ্ধঃ = ভূজঙ্গমেন উন্নদ্ধঃ = তৎপুৰুষ সমাস।
তাদৃশঃ জটাকলাপঃ যেন সঃ = বহুব্রীহিসমাস।
কর্ণাৱসক্তং = কর্ণে অৱসক্তঃ সুপ্সুপা সমাস।
কর্ণাৱসক্তং দ্বিগুণাক্ষসূত্রং যস্য সঃ = বহুব্রীহি সমাসঃ।
কণ্ঠপ্রভাসঙ্গঃ = কণ্ঠপ্রভায়াঃ সঙ্গ = ষষ্ঠী তৎপুৰুষসমাসঃ।

বুৎপত্তি দধানম্ = ধা + শানচ্ কর্ত্তৰি।

৪৭ নং শ্লোক ঃ **সমাস ঃ** কিঞ্চিতপ্রকাশাঃ কিঞ্চিত প্রকাশাঃ = সুপসুপা সমাসঃ। তাদৃশাঃ ভগ্নতাৰাঃ
কিঞ্চিত্প্রকাশ স্তিমিতাগ্রতাৰৈঃ
কিঞ্চিত্প্রকাশঃ যাসাম্ বহুব্রীহি, তাঃ
কিঞ্চিত্প্রকাশাঃ, কিঞ্চিতপ্রকাশাঃ
স্তিমিতা উগ্রাং তাৰা যেষাম্ = বহুব্রীহি, তানি, কিঞ্চিত্প্রকাশস্তি
মিতোগ্রতাৰানি, তৈঃ
য়েৰাম্ তৈঃ = বহুব্রীহিসমাসঃ।
ভ্রূবিক্রিয়ায়াম্ = ভ্রূবোঃ বিক্রিয়াযষী তৎপুৰুষ, তস্যাম্
বিৰতপ্রসঙ্গৈ = প্র - সঞ্জ + ঘঞ্ = প্রসঙ্গঃ
বিৰত প্রসঙ্গঃ য়েষাম্ তৈঃ = বহুব্রীহি সমাস
বিভক্তি নির্ণয়
নেত্রৈঃ = কৰণে তয়া
ক্রুবিক্রিয়াষাম - অধিকৰণে সপ্তমী

অবিস্পন্দঃ = স্পন্দনং স্পন্দ - যঞ্

= অবিদ্যমানঃ বিস্পন্দঃ য়স্যাঃ = বহুব্রীহি অবিস্পন্দা পক্ষমালা য়েষাম্ সমাস

তৈঃ = বহুব্রীহি সমাস।

অধোময়ূখৈঃ = অধঃ অধোগতাঃ ময়ূখাঃ যেয়াম্ = বহুব্রীহি সমাস

লক্ষ্যীকৃতঘ্রানঃ = অলক্ষ্যম্ লক্ষ্য কৃতম্ ইতি লক্ষ্য + চ্চি + কৃ + ক্ত কর্মণি =

লক্ষ্যীকৃতঃ।

লক্ষ্যীকৃতং ঘ্রাণংয়েন = বহুব্রীহি সমাস।

৪৮ নং শ্লোক ঃ **সমাস ঃ** অবৃষ্টি সংৰম্ভ = অবিদ্যমানঃ বৃষ্টিসংৰম্ভঃ য়ত্র = বহুব্রীহি সমাস।

অম্বুবাহম্ = অম্বুং জলং বহুতীতি।

অম্বু + বহ্ + অণ্ কর্ত্তৰি = অম্বুবাহঃ

অনুত্তৰঙ্গম্ = উদ্গতঃ তৰঙ্গঃ য়স্মিন্ ইতি = উত্তৰঙ্গ = বহুব্রীহি সমাস।

অনুত্তৰঙ্গম্ = ন উত্তৰঙ্গঃ = নঞ্তৎপুৰুষ সমাসঃ।

অন্তশ্চৰাণাম্ = অন্তৰ = চৰ = ক্ত কর্ত্তৰি = অন্তশ্চৰাঃ।

বিভক্তি নির্ণয়

নিৰোধাত্ = হেতৌ পঞ্চমী।

৪৯ নং শ্লোক ঃ কপালনেত্র = কপালস্য নেত্রম্ = ষষ্ঠী তৎপুৰুষ।

লব্ধমার্গৈঃ = লব্ধঃ মার্গঃ য়েন লব্ধমার্গঃ = বহুব্রীহি সমাস তৈঃ।

বিভক্তি নির্ণয়

জ্যোতিঃপ্রৰোহৈ = জ্যোতিষাঃ প্রৰোহঃ = কৰণে তৃতীয়া

শিৰস্তঃ = শিৰস্ + ঙসি + তস্ স্বার্থে = অপাদানে পঞ্চমী

বুৎপত্তি উদিতঃ = উদ্ + ই + ক্ত = উদিতঃ

গ্লপয়ন্তম্ = গ্লৈঃ + ণিচ্ + শতৃ + গ্লাপয়ত।

৫০ নং শ্লোক ঃ সমাস ঃ নৰদ্বাৰ = নৰ দ্বাৰাণি = কর্মধাৰয় সমাস।

সমাধিবশ্যম্ = সমাধেঃ বশ্য = ষষ্ঠী তৎপুৰুষ সমাসঃ।

বুৎপত্তি ব্যৱস্থাপ্য = বি - অৱ - স্থা + ণিচ্ + ল্যপ্

অক্ষৰম্ = য়ম্ (আত্মানম্) অক্ষৰম্ (ক্ষয়ৰহিতংব্রহ্ম)

ক্ষেত্রবিদ্ = ক্ষেত্রং বেত্তীতি ক্ষেত্রঃ উপপদসমাস। ক্ষেত্র + বিদ্ + ক্বিপকর্ত্তৰি

বিভক্তি নির্ণয়

অৱলোকয়ন্তম্ = অৱ - লোক + ণিচ্ + শতৃ

আত্মনি = অধিকৰণে সপ্তমী

৫.৫ সংক্ষিপ্তৰূপত শ্লোকসমূহৰ (৪১-৫০) বিষয়বস্তু

মহাকবি কালিদাস বিৰচিত কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গত কামদেৱৰ দ্বাৰা শিৱৰ সমাধিভঙ্গৰ কথা বর্ণনা কৰা হৈছে। শিৱৰ সমাধিস্থ অৱস্থাত আশ্রমত অকালবসন্তৰ আৱির্ভাৱ ঘটাই সমাধি ভঙ্গ কৰিবলৈ চেষ্টা কৰিছিল। ৪১-৫০ নং লোকত শিৱৰ সমাধিস্থ ৰূপৰ বর্ণনা এনেদৰে পোৱা যায়।

অকালবসন্তৰ আৱির্ভাৱত শিৱৰ আশ্রমত থকা সকলোবোৰ প্রাণী চঞ্চল হৈ পৰিছিল। সকলোৱে নিজ নিজ প্রিয়াৰ লগত ৰোমাঞ্চিত হৈ পৰিছিল, সেই সময়তে লতাগৃহৰ দুৱাৰমুখত নন্দীয়ে (শিৱৰ অনুচৰ) বাওঁহাতৰ মুঠিত এডাল সোণৰ লাঠি লৈ আৰু মুখত এটা আঙুলি স্থাপন কৰি যেন ইঙ্গিতেৰে 'চঞ্চল নহবা' এইবুলি কিন্নৰসকলক নির্দেশ দিছিল। (৪১) গছবোৰে অর্থাৎ কোনো উদ্ভিদেই লৰচৰ কৰা নাছিল, তেওঁ শাসনৰ দ্বাৰা সমগ্র অৰণ্যখনেই চিত্রত আঁকিথোৱা ছবিৰ নিচিনা প্রতিভাত হৈছিল (৪২)। যুদ্ধ যাত্রাৰ সময়ত যিদৰে শুক্রগ্রহটোক পৰিত্যাগ কৰা হয়, ঠিক সেইদৰেই কামদেৱেও তেওঁ লক্ষ্য কৰি থকা ঠাইসমূহক পৰিত্যাগ কৰি মহাদেৱৰ চাৰিওফালে থকা 'নমেৰু' নামৰ জোপোহা গছেৰে পৰিবেষ্টিত ধ্যান কৰি থকা ঠাইখিনিত প্রৱেশ কৰিছিল (৪৩)। আসন্নমৃত্যু কামদেৱে নাহৰফুটুকী বাঘৰ ছালেৰে আবৃত দেৱদাৰু গছৰ তলত থকা বেদী এখনৰ ওপৰত বহি থকা সংযমী মহাদেৱক দেখা পাইছিল (৪৪)। বীৰাসনত বহি থকা মহাদেৱৰ শৰীৰৰ পূর্বভাগ স্থিৰ পোন আৰু বহল আছিল। দুয়োখন কান্ধেই কিঞ্চিত তললৈ হালি আছিল। হাত দুখন এখনৰ ওপৰত আনখন এনেদৰে ৰাখিছিল যেন তেওঁৰ কোলাত ফুলি থকা এপাহ পদুম ফুলহে আছিল (৪৫)। জটাবন্ধা চুলিবিলাক সাপেৰে মেৰাই থকা, ডিঙিত ৰুদ্রাক্ষৰ মালা দুগুণ কৰি থোৱা কণ্ঠৰ জ্যোতিৰে বিশেষভাৱে নীলা হোৱা গাঠিযুক্ত কৃষ্ণসাৰ পহুৰ ছাল পৰিধান কৰা সংযমী মহাদেৱক দেখা পাইছিল (৪৬)। কিঞ্চিত মেল খাই থকা উজ্জ্বল চকুৰ মণি দুটা, নিশ্চল হৈ থকা ভ্রুলৰচৰ নকৰা, চকুৰ পতাৰে তললৈ মুখ কৰি থকা, নাকৰ অগ্রভাগলৈ লক্ষ্য কৰি থকা সংযমী মহাদেৱক দেখা পাইছিল (৪৭)। অন্তঃস্থবায়ু নিৰুদ্ধ কৰি ৰখাৰ কাৰণে বৰষুণ নিদিয়া এটুকুৰা মেঘৰ দৰে, তৰঙ্গহীন সাগৰৰ দৰে, বতাহ নোহোৱা ঠাইত জ্বলি থকা নিষ্কম্প এগছি চাকিৰ দৰে সংযমী মহাদেৱক দেখা পাইছিল (৪৮)। শিৱত সৃষ্টি হোৱা উজ্জ্বল জ্যোতি যি জ্যোতিৰ কোমলতাত পদুমৰ সূতাতকৈয়ো অধিক কোমল আছিল আৰু যিয়ে কাঁচি জোনৰ সৌন্দর্যকো লজ্জিত কৰিছিল তেওঁৰ কপালত থকা নেত্রৰ মাজেৰে বাট উলিয়াই বাহিৰলৈ আহিছিল (৪৯)। দেহৰ নৱদ্বাৰসমূহক নিষিদ্ধ কৰি 'মন' নামৰ ইন্দ্রিয়ক সমাধিৰ দ্বাৰা বশ কৰি হৃদয়ত স্থাপন কৰি তত্ত্বজ্ঞসকলে যাক 'অক্ষৰ'ৰ বুলি জানে সেই পৰমাত্মাক নিজৰ আত্মাত দর্শন কৰা মহাদেৱক দেখা পাইছিল (৫০)।

৫.৬ কেইটামান মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আৰু ভাৱার্থ

(ক) ব্যাখ্যা ঃ শ্লোক - ৪২

নিষ্কম্পবৃক্ষং নিভৃতদ্বিৰেফং মুকাণ্ডজং শান্তমৃগ প্রচাৰম্।

তচ্ছাসনাত্ কাননমেৱ সর্বং চিত্রার্পিতাৰম্ভমিবাৱতস্থে ।। ৪২।।

উদ্ধৃতিঃ - উক্ত শ্লোকফাঁকি - মহাকবি কালিদাস বিৰচিত 'কুমাৰসম্ভৱম্' মহাকাব্যৰ তৃতীয়সর্গৰ পৰা তুলি অনা হৈছে।

প্রসংগ ঃ মহাদেৱৰ আশ্রমৰ প্রাণীসমূহৰ শান্ত পৰিৱেশ সৃষ্টি কৰাৰ প্রসংগত শ্লোকফাঁকি কোৱা হৈছে।

ব্যাখ্যা ঃ দেৱতাসকলৰ লগতে ত্রিলোকৰ উপকাৰৰ বাবে দেৱৰাজ ইন্দ্রই প্রেমৰ দেৱতা কামদেৱক পৰমেশ্বৰ শিৱৰ ধ্যান ভংগ কৰিবলৈ এখন সভা আহ্বান কৰি তাতে সেই আদেশ প্রদান কৰিলে। কামদেৱে দেৱৰাজৰ আদেশ শিৰোধার্য কৰি বন্ধু বসন্তক লগত লৈ ধ্যানস্থ মহাদেৱৰ আশ্রমত উপস্থিত হয়। কাৰণ, তাড়কাসুৰক বধ কৰিব পাৰিব কেৱল শিৱ-পার্বতীৰ সন্তানেহে। পার্বতীয়েও শিৱক স্বামীৰূপে পাবলৈ মহাদেৱৰ শুশ্রূষাত ব্যস্ত আছিল। সেইবাবে শিৱ-পার্বতীৰ মিলন অপৰিহার্য। দেৱৰাজৰ আদেশত বসন্তক সাৰথি হিচাবে লৈ কামদেৱ নন্দীৰ অলক্ষিতে মহাদেৱৰ ধ্যানস্থানত প্রৱেশ কৰিলে। ইফালে অকালবসন্তৰ প্রভাৱত শিৱৰ আশ্রম থকা প্রাণীসমূহ চঞ্চল হৈ পৰিছিল। ইফালে মহাদেৱৰ অনুচৰ নন্দীয়ে ধ্যানস্থ মহাদেৱৰ যাতে ব্যাঘাত নহয় সেইবাবে লতাগৃহৰ দুৱাৰমুখত বহি বাওঁহাতৰ মুঠিত এডাল সোণৰ লাখুটি লৈ আৰু মুখত এটা আঙুলি স্থাপন কৰি প্রাণীসমূহক শান্ত হ'বলৈ ইংগিত দিয়ে। নন্দীৰ ইঙ্গিতত শিৱৰ আশ্রমৰ সকলো জীৱ সংযমী হৈ পৰে, অর্থাৎ কোনো উদ্ভিদেই লৰচৰ কৰা নাছিল, ভোমোৱা বিলাকেও শব্দ কৰা নাছিল। পক্ষীসমূহ স্তব্ধ হৈ পৰিছিল, হৰিণাবিলাকেই দৌৰা-দৌৰি নকৰিছিল। নন্দীৰ শাসনৰ দ্বাৰা সমগ্র বননিখনেই চিত্রত আঁকিথোৱা ছবিৰ দৰে প্রতিভাত হৈছিল।

এনেদৰে মহাকবি কালিদাসে ধ্যানস্থ মহাদেৱৰ আশ্রমৰ এটি সুন্দৰ ছবি অঙ্কন কৰিছে। য'ত জৰায়ুজ, স্বেদজ, অণ্ডজ আৰু উদ্ভিজ সকলোৱেই নন্দীৰ আদেশ পালন কৰি আশ্রত শান্তি বিৰাজ কৰাইছে। শ্লোকফাঁকিত 'উৎপ্রেক্ষা' অলংকাৰ প্রয়োগ হৈছে।

(খ) ব্যাখ্যা ঃ শ্লোক - ৪৮

অবৃষ্টি সংৰম্ভমিবাম্বুবাহমিবাধৰমনুত্তৰঙ্গম।

অন্তশ্চৰাণাং মৰুতাং নিৰোধান্নিবাতনিষ্কম্পমিৱ প্রদীপম্ ।। ৪৮।।

উদ্ধৃতি ঃ উক্ত শ্লোকফাঁকি মহাকবি কালিদাস বিৰচিত 'কুমাৰসম্ভৱম্' মহাকাব্যৰ 'মদনদহন' নামৰ তৃতীয়সর্গৰ পৰা তুলি অনা হৈছে।

প্রসংগ ঃ হিমালয়ৰ উচ্চ শিখৰত ধ্যানস্থ মহাদেৱৰ বর্ণনা প্রসংগত শ্লোকফাঁকি কোৱা হৈছে।

ব্যাখ্যা ঃ যোগস্থ মহাদেৱে অন্তঃস্থ বায়ু অর্থাৎ শৰীৰৰ ভিতৰৰ বায়ু বাহিৰলৈ উলিয়াই দিয়া নাছিল। সেয়েহে মহাদেৱৰ আকৃতিত এক পৰিৱর্তন লক্ষ্য কৰা গৈছিল। উল্লিখিত শ্লোকফাঁকিত মহাদেৱৰ সেই আকৃতিটোক ডাৱৰ, সাগৰ আৰু এগছি প্রদীপৰ লগত তুলনা কৰি বর্ণনা কৰা হৈছে। ধ্যানস্থ মহাদেৱক দেখিবলৈ এটুকুৰা ভয়াৱহ ডাৱৰৰ দৰে লাগিছিল। সাধাৰণতে বাৰিষাকালৰ মেঘ এটুকুৰা অন্যান্য ঋতুত দেখা পোৱা ডাৱৰতকৈ অধিক গম্ভীৰ যেন দেখা যায়। বৰষুণ নপৰা

অথচ পৰো পৰো হৈ থকা গধুৰ এই মেঘৰ সৃষ্টিয়ে মানুহৰ মনত আতংঙ্কৰ সৃষ্টি কৰাটো স্বাভাৱিক। তপস্যাৰত মহাদেৱৰ অস্বাভাৱিক আৰু ভয়াৱহ আকৃতিক বুজাবলৈকে এনেকুৱা ডাৱৰৰ লগত তুলনা কৰা হৈছে।

আনহাতে, সাগৰৰ প্রকৃতি হ'ল হুলস্থূলীয়া, টোৱে খলকনি লগাই এটা মনোমোহা পৰিৱেশ সৃষ্টি কৰা। বিশাল তৰঙ্গ সাগৰৰ এটা স্বাভাৱিক ধর্ম। ইয়াৰ ব্যতিক্রম হ'ল সাগৰৰ অস্বাভাৱিকতা উত্তাল তৰঙ্গই চঞ্চল কৰি থকা সাগৰ এখন যদি হঠাতে স্তব্ধ হৈ পৰে, তেতিয়াহ'লে সেই সাগৰ দর্শনে মানুহৰ মনত ভয়ৰ সৃষ্টি কৰাটো স্বাভাৱিক। সমাধিস্থ মহাদেৱকো এখন তৰঙ্গহীন সমুদ্রৰ লগত তুলনা কৰা হৈছে। জুইৰ শিখা লৰচৰ কৰি থকাটো হ'ল স্বাভাৱিক ধর্ম। জুইৰ শিখা লৰচৰ কৰি থকাটো হ'ল স্বাভাৱিক ধর্ম। এনেকুৱা এগছি বন্তিৰ শিখা যদি অপ্রকৃতিস্থ হৈ পৰে তেতিয়া হ'লে সেয়া অতি আতংকিত দৃশ্য। ঠিক একেদৰে তপস্যাৰত মহাদেৱৰো অপ্রকৃতিস্থ ৰূপ দর্শন কৰি কামদেৱ কিংকর্তব্যবিমূঢ় হৈ পৰে।

মহাকবি কালিদাসে এনেদৰে ধ্যানস্থ মহাদেৱৰ ৰূপৰ বর্ণনা কৰে।

মালোপমা নামৰ অলংকাৰ এই শ্লোকফাঁকিত প্রয়োগ হৈছে।

(গ) শ্লোক - ৫০

মনো নৱদ্বাৰনিষিদ্ধবৃত্তি হৃদি ব্যৱস্থাপ্য সমাধিবশ্যম্।
য়মক্ষৰং ক্ষেত্রবিদো বিদুস্তমাত্মানত্মন্যৱলোকয়ন্তম্।।

উদ্ধৃতি ঃ উক্তশ্লোকফাঁকি মহাকবি কালিদাস বিৰচিত কুমাৰসম্ভৱম্ মহাকাব্যৰ 'মদনদহন' নামৰ তৃতীয়সর্গৰ পৰা তুলি অনা হৈছে।

প্রসংগ ঃ মহাদেৱৰ সমাধিস্থ ৰূপৰ বর্ণনা প্রসংগত শ্লোকফাঁকি অৱতাৰণা কৰা হৈছে।

ব্যাখ্যা ঃ হিমালয়ৰ উচ্চ শিখৰত ধ্যানস্থ মহাদেৱৰ ধ্যানভংগ কৰি হিমালয়ৰ কন্যা পার্বতীৰ প্রতি আকর্ষিত কৰাৰ মানসেৰে দেৱৰাজ ইন্দ্রৰ আজ্ঞা শিৰোধার্য কৰি সখা বসন্ত আৰু পত্নী ৰতিদেৱী লগত লৈ নিজৰ প্রাণৰ বিনিময়তো মহাদেৱৰ আশ্রমত প্রৱেশ কৰিলে।

শিৱৰ ধ্যানস্থৰূপৰ বর্ণনা দি কামদেৱে কৈছে যে— দেহৰ নৱদ্বাৰসমূহক নিষিদ্ধ কৰি 'মন' নামৰ ইন্দ্রিয়ক সমাধিৰ দ্বাৰা বশ কৰি হৃদয়ত স্থাপন কৰি তত্ত্বজ্ঞসকলে যাক 'অক্ষৰ' বুজি জানে সেই পৰমাত্মাক নিজৰ আত্মা তদর্শন কৰা মহাদেৱক দেখা পাইছিল।

নৱদ্বাৰ যেনে— চকু (২), নাক (২), মুখ (১), কাণ (২), পায়ু (১) আৰু উপস্থ (১) শৰীৰৰ এই নটা দ্বাৰক ৰোধ কৰা অতিশয় কঠিন। কিন্তু পৰমেশ্বৰ মহাদেৱে এই নটা দ্বাৰ (দুৱাৰ) ৰোধ কৰি আত্মাত পৰমাত্মাৰ দর্শন কৰিছে। ধ্যানস্থ সেই মহাদেৱক ক্ষেত্রবিদসকলে অর্থাৎ তত্ত্বজ্ঞসকলে 'অক্ষৰ ব্রহ্ম' বুলি কয়। তেনে সমাধিস্থ ৰূপত কামদেৱে মহাদেৱক দেখা পাইছিল।

ধ্যানস্থ ৰূপত মহাদেৱক দেখা পাই কামদেৱ অত্যন্তভীত হ'ল। মহাদেৱৰ এনে ৰূপ তেওঁ কল্পনাও কৰিব পৰা নাছিল। সেয়েহে ভয়ত বিহ্বল হৈ তেওঁৰ হাত শিথিল হৈ পৰিল আৰু হাতৰ পৰা ধনু�ৰশৰ সৰি পৰাটো গমকেই নাপালে।

উক্ত শ্লোকফাঁকিত ব্যতিৰেক অলংকাৰ প্রয়োগ হৈছে।

(ঘ) ভাৱার্থ ঃ

উত্তান পাণিদ্বয় সন্নিবেশাত্ প্রফুল্লৰাজীৱমিবাঙ্কমধ্যে ।। ৪৫।।

ধ্যানস্থ মহাদেৱ দেৱদাৰু বৃক্ষ এজোপাৰ তলত অৱস্থিত বাঘৰ ছালেৰে আৱৰা সুন্দৰ বেদীৰ ওপৰত শান্ত সমাহিত শিৱ ধ্যানত মগ্ন হৈ আছিল। তেওঁ বীৰাসনত বহি আছিল বাবেই শৰীৰৰ ওপৰভাগ স্থিৰ হৈ আছিল। শৰীৰটো সৰল আৰু দীর্ঘ দেখা গৈছিল, কান্ধ দুখন ঈষৎ অৱনমিত আছিল। আঙুলিৰে সৈতে হাত দুখন তেওঁৰ কোলাত এনেধৰণে ৰাখিছিল যেন প্রস্ফুটিত পদুম ফুলহে।



৫.৭ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- পাঠ্যাংশৰ শ্লোকসমূহৰ (৪১-৫০) সংস্কৃত পাঠৰ লগতে গদ্যপাঠ জানিব পাৰিলে।
- প্রতিটো শ্লোকৰ শব্দার্থ আৰু অসমীয়া অনুবাদ জানিব পাৰিলে।
- প্রতিটো শ্লোকৰ ব্যাকৰণগত টোকা আৰু শ্লোকসমূহৰ বিষয়বস্তুৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- মহত্বপূর্ণ শ্লোকৰ ব্যাখ্যা আৰু ভাৱার্থৰ বিষয়ে অৱগত হ'ল।



৫.৮ অধিক জানিবলৈ

১) *দি কুমাৰসম্ভৱম্ অৱ কালিদাস* (কেণ্টো - ১-৮) মতিলাল বাণাৰসীদাস, দিল্লী।

২) *কালিদাস' স কুমাৰসম্ভৱম্* (কেণ্টো - ১-১৭) নাগ পাব্লিচার্চ, জৱাহৰ নগৰ, দিল্লী-৭।

৩) *কুমাৰসম্ভৱম্* (১-৫ সর্গ) মহাকবি কালিদাস প্রণীতম্, সম্পাদনা - শ্রীমদ্‌গুৰুনাথ বিদ্যানিধি ভট্টাচার্য সংস্কৃত পুস্তক ভাণ্ডাৰ-৩৮, বিধান সৰণী, কলিকতা - ৭০০০০৬।

৪) *সংস্কৃত সাহিত্য সম্ভাৰ* - (Vol. 2), নৱপত্র প্রকাশন, ১৯৮৯, ৬ ব্যঙ্কিম ছ্যাটার্জী ষ্ট্রীট, কলিকতা-৭০০০৭৩।

৫) *সংস্কৃত সাহিত্যের ইতিহাস* - ধীৰেন্দ্র নাথ বন্দোপাধ্যায় পশ্চিমবঙ্গ ৰাজ্য পুস্তক ব'র্ড, ২০১৪।

৬) *সংস্কৃত সাহিত্যৰ ইতিবৃত্ত* - ড° থানেশ্বৰ শর্মা, চন্দ্রপ্রকাশ, পাণবজাৰ, গুৱাহাটী-১৯৯৫।

৭) *কুমাৰসম্ভৱম্ আৱ কালিদাস* — তৃতীয়সর্গ - সম্পাদনা ড°ইন্দিৰা শইকীয়া বৰা, প্রকাশিকা, পাণবজাৰ, গুৱাহাটী-২য় প্রকাশ ২০১৬।



৫.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ 'হেমবেত্রঃ' শব্দৰ অর্থ — 'সোণৰ লাখুটি' - 'হেম' শব্দৰ অর্থ- সোণ , 'বেত্র' শব্দৰ অর্থ লাখুটি। বেতৰ লাখুটিৰ মূৰত সোণেৰে কাম কৰা হয়।

২ নং প্রশ্নৰ উত্তৰঃ 'গণান্' শব্দই শিৱৰ আশ্রমৰ কিন্নৰ-কিন্নৰীসকলকে ধৰি জীৱ-জন্তু, বৃক্ষসমূহক বুজাইছে। অর্থাৎ-জৰায়ুজ, স্বেদজ, অণ্ডজ আৰু উদ্ভিদক বুজাইছে।

৩ নং প্রশ্নৰ উত্তৰঃ 'ভূতপতেঃ' শব্দৰ অর্থ 'শিৱ'।

৪ নং প্রশ্নৰ উত্তৰঃ 'ত্রিয়ম্বক বা ত্র্যয়ম্বক' শব্দই তিনিটা চকুযুক্ত মহাদেৱক বুজাইছে।

ত্রি = তিনিটা

অম্বক - চকু

ত্রীনি অম্বকানি লোচনানি যস্য সঃ = ত্র্যয়ম্বকঃ।

৫ নং প্রশ্নৰ উত্তৰঃ 'ভূজঙ্গ' শব্দৰ অর্থ শিৱ।

৬ নং প্রশ্নৰ উত্তৰঃ 'ইন্দোঃ' শব্দৰ অর্থ জোন

৭ নং প্রশ্নৰ উত্তৰঃ 'নৱদ্বাৰ' শব্দই শৰীৰৰ নটা দ্বাৰ (দুৱাৰ)ক বুজায়। যেনে—

চকু - ২

কাণ - ২

নাক - ২

মুখ - ১

পায়ু - ১

উপস্থ - ১



৫.১০ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ কুমাৰসম্ভৱম্ মহাকাব্যৰ তৃতীয়সর্গৰ ৪১-৫০ নং শ্লোকত থকা শিৱৰ সমাধি বর্ণনা কৰক।

প্রশ্ন ২ঃ তলত উল্লেখ কৰা শব্দবোৰৰ ব্যাকৰণগত টোকা লিখক—

লতাগৃহ, ব্যনৈষীত্, নিষ্কম্প, নিভৃতাঃ, মুকাণ্ডজম্, চিত্রার্পিতা, পুৰঃশুক্রম্, আসীনম্, পর্যঙ্কবন্ধ, অনুত্তৰঙ্গম্।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ মহাদেৱৰ আশ্ৰমত নন্দীয়ে প্ৰাণীসমূহক কেনেকৈ শাসন কৰিছিল?

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ 'অবৃষ্টিসংৰম্ভমিবাম্বুবাহমপামিবাধাৰমনুত্তৰঙ্গম্'
ওপৰোক্ত শ্লোকাংশৰ ভাব বহলাই লিখক।

প্ৰশ্ন ২ঃ ৪৩ নং শ্লোক আৰু ৪৭ নং শ্লোকৰ ব্যাখ্যা লিখক।

*** ***** ***